# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-04-2024
**Time :** 1715 Hrs

***Assamese Evening Bulletin***

-----------------------

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু  চাপি অহাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযানত  ব্যাপক তৎপৰতা পৰিলক্ষিত হৈছে। এই উদ্দেশ্যেৰে বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি শিলচৰত এন ডি এৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যৰ হৈ এটা নিৰ্বাচনী ৰোড শ্বোত অংশগ্ৰহণ কৰিব।

আনহাতে ৰাজ্যৰ জ্যেষ্ঠ বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ বিভিন্ন ঠাইত ডিফু সংসদীয় সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী অমৰ ছিং তিছ'ৰ হৈ প্ৰচাৰ চলায়। বোকাজান বিধানসভা সমষ্টিৰ সৰিয়হজানত আয়োজিত নিৰ্বাচনী সভাত প্ৰচাৰ চলাই ডঃ শৰ্মাই সমষ্টিটোত বিজেপি দলৰ জয়লাভৰ সম্পৰ্কত প্ৰবল আত্মবিশ্বাসী বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে। ইয়াৰ পাছত ডঃ শৰ্মাই হাওৰাঘাট আৰু বৈঠালাংছুত অন্য দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকায়ো ৰূপহী বিধানসভাৰ শিঙাৰি বজাৰত বিজেপি দলৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। পৰ্যটন মন্ত্ৰী জয়ন্তমল্ল বৰুৱায়ো দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এ প্ৰাৰ্থী দিলীপ শইকীয়াৰ হৈ জিলাখনৰ চাৰিখন ঠাইত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

ইফালে, ধুবুৰী লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰকিবুল হুছেইনে আজি গোৱালপাৰাৰ ডুবাপাৰাত নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত তেওঁ প্ৰতিদ্বন্দ্বী এ আই ইউ ডি এফ আৰু শাসকীয় পক্ষক তীব্ৰ সমালোচনা কৰে। একেদৰে নগাঁও লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়েও ৰূপহীহাটৰ বৰালিমাৰীত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ত ৰাজ্যখনত ৫ টা সমষ্টি- দৰং-ওদালগুৰি, কৰিমগঞ্জ, ডিফু, শিলচৰ আৰু নগাওঁ সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

০০০০০

কোকৰাঝাৰ লোকসভা সমষ্টিৰ দুবাৰৰ সাংসদ নব কুমাৰ শৰণীয়াৰ মনোনয়ন পত্ৰ অবৈধ বুলি নিৰ্বাচন আয়োগে এটা নিৰ্দেশ যোগে ঘোষণা কৰিছে। এই সংক্ৰান্তত কোকৰাঝাৰ সমষ্টিৰ মুঠ ১৬ খন মনোনয়ন পত্ৰৰ ভিতৰত নব কুমাৰ শৰনীয়াৰ মনোনয়ন পত্ৰ পৰীক্ষণৰ সময়ত অবৈধতাৰ ভিত্তিত নাকচ কৰা হৈছে বুলি ৰিটাৰ্নিং বিষয়া প্ৰদীপ কুমাৰ দ্বিবেদীয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, সমষ্টিটোৰ সাধাৰণ পৰ্যৱেক্ষক, ৰিটাৰ্নিং বিষয়াৰ লগতে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থী তথা তেওঁলোকৰ প্ৰস্তাৱকসকল মনোনয়ন পত্ৰৰ পৰীক্ষণৰ সময়ত উপস্থিত আছিল। উল্লেখযোগ্য যে গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰাৰ্থীগৰাকীয়ে অনুসূচীত জনজাতি অন্তৰ্ভুক্ত নহয় বুলি ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতিয়ে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদন ইতিপূৰ্বে খাৰিজ কৰিছে।

ৰাজ্যৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৬০ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। মনোনয়ন পত্ৰসমূহ কালি পৰীক্ষা কৰা হয়। কাইলৈ মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছে। কালি মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ অন্তত গুৱাহাটী সমষ্টিৰ দুগৰাকী প্ৰাৰ্থীৰ মনোনয়ন বাতিল কৰা হয়। সমষ্টিটোৰ বাবে মুঠ ১০ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল। এই সমষ্টিটোত বিজেপিৰ বিজুলী কলিতা মেধি আৰু কংগ্ৰেছৰ মীৰা বৰঠাকুৰ গোস্বামীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে।

০০০০০

০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন ঠাইত প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ কোষসমূহৰ উদ্যোগত ভোটাৰ সজাগতা কাৰ্যসূচী আয়োজন কৰা হৈছে। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া জিলাসমূহত এই সম্পৰ্কীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। এই সংক্ৰান্তত ঠায়ে ঠায়ে ভোটাৰ সজাগতাৰ লক্ষ্যৰে সজাগতামূলক কাৰ্যসূচী হাতত লোৱা হৈছে।

ওদালগুৰি জিলাত ভোটাৰ ৰাইজৰ মাজত ভোটদান সম্পৰ্কীয় সজাগতা সৃষ্টিৰ লক্ষ্যৰে খৈৰাবাৰী ৰে'লৰে গে'টৰ পৰা নাগাছোৱালৈ ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মানৱ শৃংখল গঠন কৰা হয়। টংলা আৰু ভেৰগাঁও বিধানসভা সমষ্টিৰ কেইবাহাজাৰ মহিলাই জিলা নিৰ্বাচনী বিভাগৰ উদ্যোগত এই কাৰ্যসূচীত ভাগ লয়।

বঙাইগাঁও জিলা প্ৰশাসনে তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি চলোৱাৰ লগতে কোনো ধৰণৰ সম্ভাব্য অপ্ৰীতিকৰ ঘটনা প্ৰতিৰোধ কৰিবলৈ জিলাখনৰ সকলো নথিভূক্ত আৰু পঞ্জীভূক্ত মাৰণাস্ত্ৰ প্ৰশাসনৰ হাতত জমা দিবলৈ নিৰ্দেশ জাৰি কৰে। এই নিৰ্দেশৰ ভিত্তিত জিলাখনৰ মুঠ ১০৩ টা ব্যক্তিগত মাৰণাস্ত্ৰ জিলা প্ৰশাসনৰ হাতত জমা দিয়া হয়। ইয়াৰ লগতে বিত্তিয় প্ৰতিষ্ঠানসমূহৰ নথিভূক্ত মাৰণাস্ত্ৰসমূহৰো বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জিলাখনৰ আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে জিলাখনত নিৰ্বাচনী প্ৰস্তুতি সম্পৰ্কীয় সকলো দিশৰ আলোচনা কৰিবৰ বাবে আজি জিলা আয়ুক্ত কাৰ্যালয়ত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ সৈতে আয়ুক্তগৰাকীয়ে এখন সভাত অংশগ্ৰহণ কৰে।

০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ২০২৪ বৰ্ষৰ জুন মাহত হবলগীয়া বিশ্ববিদ্যালয় অনুদান আয়োগক ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপনকাৰী পৰীক্ষা ইউ জি চি নেটৰ বাবে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। পঞ্জীয়নৰ প্ৰক্ৰিয়া ১০ মে'লৈকে অব্যাহত থাকিব আৰু অনলাইনযোগে পৰীক্ষা মাচুল জমা কৰাৰ বাবে ১২ মে' অন্তিম দিন ধাৰ্য্য কৰা হৈছে। নেট পৰীক্ষাত উত্তীৰ্ণ হ'লে জুনিয়ৰ ৰিচাৰ্চ ফেল'শ্বিপ প্ৰদান কৰা হয় আৰু এনে শিক্ষাৰ্থীসকলে সহকাৰী অধ্যাপক পদত নিযুক্তিৰ বাবে যোগ্যতা লাভ কৰে। এই পৰীক্ষাৰ ভিত্তিত ৮৩ টা বিষয়ৰ পি এইচ ডি পাঠ্যক্ৰমত নামভৰ্তি কৰা হয়। ০০০০

০০০০০

সমাপ্ত